**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-08-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
-----------------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে পোলেণ্ড আৰু ইউক্ৰেইনলৈ ৰাওনা হৈছে।

২। অসমৰ ৰাজ্যসভাৰ দুখন আসনৰ বাবে বিজেপিৰ প্ৰাৰ্থী প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী আৰু প্ৰাক্তন বিধায়ক মিছন ৰঞ্জন দাসে আজি মনোনয়ন পত্ৰ দাখিল কৰে।

৩। নতুন দিল্লীত অনুষ্ঠিত এখন সন্মিলনত ইউৰোপীয় সংঘই সন্ত্ৰাসবাদৰ ফলত উদ্ভৱ হোৱা প্ৰত্যাহ্বানৰ সন্মুখীন হ'বৰ বাবে যুটীয়া আৰু আঞ্চলিক কাৰ্যব্যৱস্থাৰ প্ৰতি গুৰুত্ব আৰোপ কৰিছে।

৪। উচ্চতম ন্যায়ালয়ে চিকিৎসা কৰ্মীসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে এটা ৰাষ্ট্ৰীয় কাৰ্যবাহিনী গঠন কৰিছে। **আৰু**

৫। আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদে মহিলাৰ টি-২০ বিশ্বকাপৰ নৱম সংস্কৰণ বাংলাদেশৰ পৰা সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰ ইউ এ ইলৈ স্থানান্তৰ কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দ্বিপাক্ষিক সম্পৰ্ক অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে পোলেণ্ড আৰু ইউক্ৰেইন ভ্ৰমণলৈ ৰাওনা হৈছে। আজি সন্ধিয়া শ্ৰীমোদী পোলেণ্ডত উপস্থিত হ'ব। তেওঁ জামছাহেব নাৱানগৰ স্মাৰক আৰু কলহাপুৰৰ মণ্টে কেছিনে যুদ্ধ স্মাৰকত মাল্যাৰ্পণ কৰিব।

প্ৰধানমন্ত্ৰী মোদীয়ে কৈছে যে, পোলেণ্ড হৈছে মধ্য ইউৰোপৰ অৰ্থনীতিৰ মূল চাবি কাঠি। তেওঁ কয় যে, ভাৰত আৰু পোলেণ্ডৰ মাজত গণতন্ত্ৰৰ প্ৰতি পাৰস্পৰিক দায়বদ্ধতাই দুয়োখন ৰাষ্ট্ৰৰ সম্পৰ্কক সুদৃঢ় কৰিব। শ্ৰীমোদীক পোলেণ্ডৰ ৰাজধানী ৱাৰছ'ত আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হ'ব। প্ৰধানমন্ত্ৰীয়ে পোলেণ্ডৰ প্ৰধানমন্ত্ৰী ড'নাল্ড টাস্কৰ সৈতে আলোচনাত মিলিত হোৱাৰ লগতে ৰাষ্ট্ৰপতি আন্দ্ৰেজ ডুডাক সাক্ষাৎ কৰিব। শ্ৰীমোদীয়ে লগতে দেশখনত বাস কৰা ভাৰতীয় সম্প্ৰদায়ৰ সদস্য, আগশাৰীৰ ব্যৱসায়ী আৰু ভাৰতীয় ইতিহাস, সাহিত্য, দৰ্শন আৰু সংস্কৃতি অধ্যয়ন কৰা বিশিষ্ট ব্যক্তিসকলৰ সৈতে মত বিনিময় কৰিব। পোলেণ্ড আৰু ইউক্ৰেইনলৈ আনুষ্ঠানিক ভ্ৰমণৰ পূৰ্বে তেওঁ প্ৰদান কৰা এটা বিবৃতিত কয় যে, ভাৰত আৰু পোলেণ্ড দেশ দুখনৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৭০ বছৰ বাৰ্ষিকী উদযাপন কৰাৰ সময়তে প্ৰধানমন্ত্ৰী মোদী দেশখনলৈ যাবলৈ ওলাইছে। প্ৰধানমন্ত্ৰীয়ে কয় যে, তেওঁ দুয়োখন দেশৰ অংশীদাৰিত্বক আৰু অধিক গতি দিবলৈ তেওঁৰ বন্ধু প্ৰধানমন্ত্ৰী ড'নাল্ড টাস্ক আৰু ৰাষ্ট্ৰপতি আন্দ্ৰেজ ডুডাক লগ কৰিবলৈ আগ্ৰহী। তেওঁ কয় যে, পোলেণ্ডত থকা ভাৰতীয় সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতেও তেওঁ যোগাযোগ স্থাপন কৰিব।

প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, তেওঁ ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিৰ আমন্ত্ৰণ মৰ্মে দেশখনত উপস্থিত হ'ব। এয়া হ'ব প্ৰথমবাৰৰ বাবে এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ ইউক্ৰেইন ভ্ৰমণ। তেওঁ লগতে কয় যে, ৰাষ্ট্ৰপতি জেলেনস্কিৰ সৈতে দ্বিপাক্ষিক সহযোগিতা শক্তিশালী কৰাৰ ক্ষেত্ৰত পূৰ্বতে হোৱা কথা বতৰাক ভিত্তি কৰি সুবিধা গ্ৰহণ কৰাৰ লগতে সংঘাতপূৰ্ণ দেশখনলৈ শান্তি স্থাপনৰ বাবে নিজস্ব দৃষ্টিভংগী আগবঢ়াবলৈ আগ্ৰহী। তেওঁ দেশখনলৈ শান্তি আৰু স্থিৰতা সোনকালে ঘূৰি আহিব বুলিও আশা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, দেশখনলৈ তেওঁৰ এই ভ্ৰমণে দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰাত বৰঙণি যোগাব।

০০০০০০০

ৰাজ্যসভাত খালী হোৱা অসমৰ দুখন আসনৰ বাবে বিজেপিৰ প্ৰাৰ্থী প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী আৰু প্ৰাক্তন বিধায়ক মিছন ৰঞ্জন দাসে আজি মনোনয়ন পত্ৰ দাখিল কৰে। প্ৰাৰ্থী দুগৰাকীৰ মনোনয়ন পত্ৰ দাখিলৰ সময়ত শাসকীয় মিত্ৰজোঁটৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকে। আমাৰ আগৰ বাতৰিতেই কোৱা হৈছে যে অসমৰ ৰাজ্যসভাৰ এন ডি এৰ প্ৰাৰ্থী সন্দৰ্ভত আলোচনাৰ বাবে কালি নতুন দিল্লীত কেন্দ্ৰীয় নেতৃত্বৰ সৈতে অসম ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়।

উল্লেখযোগ্য যে সাম্প্ৰতিক ৰাজনৈতিক প্ৰেক্ষাপটত বিজেপিৰ হৈ প্ৰাৰ্থিত্ব আগবঢ়োৱা দুয়োগৰাকী প্ৰতিনিধি বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাটো প্ৰায় নিশ্চিত হৈ পৰিছে।

০০০০০০০

ইউৰোপীয় সংঘই সন্ত্ৰাসবাদৰ ফলত উদ্ভৱ হোৱা প্ৰত্যাহ্বানৰ সন্মুখীন হ'বৰ বাবে যুটীয়া আৰু আঞ্চলিক কাৰ্যব্যৱস্থাৰ প্ৰতি গুৰুত্ব আৰোপ কৰিছে। নতুন দিল্লীত আজি অনুষ্ঠিত এখন সন্মিলনত ভাৰতত থকা ইউৰোপীয় সংঘৰ দূত হাৰ্ভে ডেলফিনে এই সন্দৰ্ভত মত প্ৰকাশ কৰে। সন্মিলনত ভাষণ দি তেওঁ কয় যে, সন্ত্ৰাসবাদী আৰু উগ্ৰপন্থী কাৰ্যকলাপৰ ফলত উদ্ভৱ হোৱা অনলাইন প্ৰত্যাহ্বানসমূহৰ মুখামুখি হোৱাৰ ক্ষেত্ৰত ইউৰোপীয় সংঘৰ দীৰ্ঘদিনীয়া অভিজ্ঞতা থকাৰ লগতে এই দিশত উপযুক্ত কাৰ্যব্যৱস্থা গ্ৰহণৰ বাবেও তেওঁলোক দায়বদ্ধ।

০০০০০০০

কৰ্মচাৰী ভৱিষ্য নিধি সংস্থাত যোৱা জুন মাহত ১৯ লাখ ২৯ হাজাৰ নতুন সদস্য অন্তৰ্ভুক্ত হৈছে। সেই অনুসৰি যোৱা বছৰৰ এই একেই সময়ছোৱাৰ তুলনাত সদস্যৰ সংখ্যা ৭ দশমিক ৮-৬ শতাংশ বৃদ্ধি পাইছে। শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে কৈছে যে কৰ্মসংস্থাপনৰ সুযোগ বৃদ্ধিকে ধৰি বিভিন্ন কাৰণত সংস্থাটোত অন্তৰ্ভুক্ত সদস্যৰ সংখ্যা বৃদ্ধি পাইছে। শেহতীয়া তথ্য অনুসৰি যোৱা জুন মাহত প্ৰায় ১০ লাখ ২৫ হাজাৰ নতুন সদস্য সংস্থাটোত অন্তৰ্ভুক্ত হৈছে।

০০০০০০০

উচ্চতম ন্যায়ালয়ে চিকিৎসা কৰ্মীসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে এটা ৰাষ্ট্ৰীয় কাৰ্যবাহিনী গঠন কৰিছে। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড় নেতৃত্বাধীন এখন বিচাৰপীঠে কালি কলকাতাৰ আৰ জে কৰ হাস্পতালত এগৰাকী চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ গোচৰৰ শুনানি গ্ৰহণ কৰি

কাৰ্যবাহিনীটোক তিনি সপ্তাহৰ ভিতৰত অন্তৰৰ্তীকালীন প্ৰতিবেদন আৰু দুমাহৰ ভিতৰত চূড়ান্ত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্য ন্যায়াধীশগৰাকীয়ে কয় যে ন্যায়ালয়ে মহিলাসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে দেশজুৰি গ্ৰহণ কৰিবলগীয়া পৰিকল্পনা সন্দৰ্ভত পৰামৰ্শ আগবঢ়োৱাৰ বাবে দেশৰ সকলো চিকিৎসকক লৈ এটা ৰাষ্ট্ৰীয় কাৰ্যবাহিনী গঠন কৰিছে। বিচাৰপীঠখনে কলকাতা ধৰ্ষণ আৰু হত্যা কাণ্ডৰ ভুক্তভোগীগৰাকীৰ নাম, ফটো আৰু ভিডিঅ' আদি ততালিকে ছ'চিয়েল মিডিয়াৰ পৰা আঁতৰ কৰিবলৈ নিৰ্দেশ দিছে। ইয়াৰ উপৰি ন্যায়ালয়ে আৱাসিক চিকিৎসক বিশেষকৈ মহিলা চিকিৎসকলৰ সুৰক্ষা আৰু নিৰাপত্তাৰ বাবে আৰ জি কৰ হাস্পতালত কেন্দ্ৰীয় ঔদ্যোগিক বাহিনীৰ জোৱান নিয়োগ কৰিবলৈ কৈছে। বিচাৰপীঠখনে পশ্চিমবংগ চৰকাৰ আৰু চিকিৎসালয় কৰ্তৃপক্ষই গোচৰটোৰ তদাৰকৰ ক্ষেত্ৰত অৱলম্বন কৰা পন্থাক লৈ অসন্তুষ্টি প্ৰকাশ কৰিছে। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ে প্ৰক্ৰিয়াগত আঁসোৱাহৰ সমালোচনা কৰিছে আৰু বিশেষকৈ ঘটনাটো সন্দৰ্ভত এজাহাৰ ৰুজু কৰাত হোৱা বিলম্ব তথা স্থানীয় আৰক্ষী তথা চিকিৎসালয় প্ৰশাসনে সাক্ষ্য প্ৰমাণ বিনষ্ট নোহোৱাৰ বাবে অপৰাধ সংঘটিত স্থানত উচিত ব্যৱস্থা গ্ৰহণ নকৰাক লৈ ক্ষোভ প্ৰকাশ কৰিছে।

সমগ্ৰ দেশত চিকিৎসক আৰু চিকিৎসা কৰ্মীসকলৰ কামৰ অসুৰক্ষিত বাতাবৰণক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰি ন্যায়ালয়ে কয় যে বৰ্তমানৰ আইন স্বাস্থ্য কৰ্মীৰ সুৰক্ষাৰ দিশৰ পৰা পৰ্যাপ্ত নহয়। ন্যায়ালয়ে কয় যে প্ৰণালীগত বিষয়সমূহ সমাধানৰ উদ্দেশ্যে ই কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ এগৰাকী চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ বিষয়টো সন্দৰ্ভত নিজাববীয়াকৈ ব্যৱস্থা গ্ৰহণ কৰিছে। ন্যায়ালয়ে লগতে ৰাষ্ট্ৰই তৃণমূল পৰ্যায়ৰ পৰিৱৰ্তনৰ বাবে অন্য এটা ধৰ্ষণ আৰু হত্যালৈ বাট চাব নোৱাৰে। ছাৰ্জন ভাইচ এডমিৰেল আৰ ছৰিন, ডাঃ ডি নাগেশ্বৰ ৰেড্ডী, ডাঃ এম শ্ৰীনিবাস, ডাঃ প্ৰতিমা মূৰ্তি, ডাঃ গোৱৰ্ধন দত্তপুৰী, ডাঃ সুমিত্ৰা ৰাৱট, দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ হৃদৰোগ বিভাগৰ মুৰব্বী প্ৰফেছৰ অনিতা চাক্সেনা, মুম্বাইৰ গ্ৰাণ্ট চিকিৎসা মহাবিদ্যালয়ৰ ডীন প্ৰফেছৰ পল্লৱী ছাপ্ৰে, অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ স্নায়ুতত্ব বিভাগৰ ডাঃ পদ্মা শ্ৰীবাস্তৱক লৈ এই কাৰ্যবাহিনী গঠন কৰা হৈছে। বৃহস্পতিবাৰে গোচৰটোৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰা হৈছে। বিচাৰপীঠখনে কয় যে মহাৰাষ্ট্ৰ, কেৰালা, তেলেংগানা আদি ৰাষ্ট্ৰই চিকিৎসকৰ বিৰুদ্ধে সংঘটিত হিংসাত্মক ঘটনা ৰোধ কৰাৰ বাবে ৰাজ্যিক আইন যুগুতাই উলিয়াইছে যদিও এয়া পৰ্যাপ্ত নহয়।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ-পূৰ্বাঞ্চলৰ লগতে দেশৰ পূব আৰু দক্ষিণ প্ৰান্তত অহা ২৫ আগষ্টলৈ ধাৰাষাৰ বৰষুণৰ আগলি বতৰা দি অৰেঞ্জ এলাৰ্ট জাৰি কৰিছে। বতৰ বিজ্ঞান বিভাগে কৈছে যে, এই সময়ছোৱাত বাংলাদেশৰ মধ্য ভাগত সৃষ্টি হোৱা নিম্নচাপৰ প্ৰভাৱত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু ছিকিমত ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

আনহাতে নেৰানেপেৰা বৰষুণৰ বাবে আজি ত্ৰিপুৰাৰ খোৱাই আৰু ধালাই জিলা প্ৰশাসনে জিলা দুখনৰ সকলো চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয় বন্ধ ঘোষণা কৰিছে। বতৰ বিজ্ঞান বিভাগে পশ্চিম ত্ৰিপুৰাৰ খোৱাই জিলাত মুষলধাৰ বৰষুণৰ পৰিপ্ৰেক্ষিতত নিৰ্দিষ্ট সময়ৰ বাবে ৰেড এলাৰ্ট জাৰি কৰিছে। শেহতীয়া ২৪ ঘণ্টাত পশ্চিম ত্ৰিপুৰা জিলাৰ আগৰতলা বিমান বন্দৰত সৰ্বোচ্চ ৯৯ দশমিক ৫ মিলিমিটাৰ পৰিমাণৰ বৰষুণ হৈছে।

একেদৰে পশ্চিমবংগ, বিহাৰ, ঝাৰখণ্ড আৰু ওড়িশাকে ধৰি দেশৰ পূব অংশতো পৰৱৰ্তী কেইদিনমানত প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে।

০০০০০০০

পাকিস্তানৰ পৰা ইৰাকৰ ধৰ্মীয় স্থানলৈ যাত্ৰী কঢ়িয়াই নিয়া এখন বাছ যোৱা নিশা ইৰাণত দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ ফলত কমেও ২৮ গৰাকী লোকে প্ৰাণ হেৰুৱায়। ইৰাকৰ আৰবাইন উৎসৱত ভাগ ল'বৰ বাবে ৰাওনা হোৱা বাছখনত ছিয়া ধৰ্মীয় মতত বিশ্বাসী ৫১ গৰাকী যাত্ৰী আছিল।

আনহাতে ছিস্তান তথা বালুছিস্তানত আজি নিচেই পুৱাতে সংঘটিত এটা সুকীয়া পথ দুৰ্ঘটনাত আন ছজন লোকৰ মৃত্যু হোৱাৰ লগতে ১৮ জন লোক আহত হয়।

০০০০০০০

আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদে মহিলাৰ টি-২০ বিশ্বকাপৰ নৱম সংস্কৰণ বাংলাদেশৰ পৰা সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰ ইউ এ ইলৈ স্থানান্তৰ কৰিছে। অৱশ্যে বাংলাদেশ এই সংস্কৰণৰ আনুষ্ঠানিক আয়োজক হৈ থাকিব। প্ৰতিযোগিতাৰ খেলসমূহ অহা ৩ অক্টোবৰৰ পৰা ২০ অক্টোবৰলৈ ডুবাই আৰু শ্বাৰজাহত অনুষ্ঠিত হ'ব।

০০০০০০০

সমাপ্ত